# এশ বছৰীয়া হ'ল 'ফুলো ফুলিলে

গুৱাহাটীৰ দীঘলীপুখুৰীপাৰৰ অসম সাহিত্য সভাৰ লক্ষ্মীৰাম বৰুৱা সদনত বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখ্য যে লক্ষ্মীৰাম বৰুৱাৰ পুত্ৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত এইচ এম ভিয়ে বাণীবদ্ধ কৰা অসমীয়া ভাষাৰ প্ৰথম গীতকেইটি আছিল ক্ৰমে 'ফুলো ফুলিলে জোনায়ো হাঁহিলে, 'হৃদয় বিদাৰি উঠে শত বেদনাৰে', কিয়নো পাহৰা অসমীয়া' আৰু 'অসমা নিৰুপমা জননী'। গ্ৰামোফোন ৰেকৰ্ডত অসমীয়া গীত বাণীবদ্ধ কৰাৰ এশ বছৰ উপলক্ষে শুকুৰবাৰে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটো আৰম্ভ হয় গৌতম শইকীয়াৰ এটি বৰগীতেৰে। অনুষ্ঠানটোত পৌৰোহিত্য কৰে উদ্‌যাপন সমিতিৰ সভাপতি লোকনাথ গোস্বামীয়ে। আৰম্ভণিতে প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত শতবৰ্ষত ভৰি দিয়া প্ৰবীণ অনাতাঁৰ শিল্পী অমিয় মোহন দাসক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আন এগৰাকী যশস্বী শিল্পী ড° লক্ষহীৰা দাসক সম্বৰ্ধনা জনোৱাৰ কথা আছিল যদিও শাৰীৰিক অসুস্থতাৰ হেতু তেওঁ অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰাত তেওঁৰ হৈ পৰিয়ালৰ লোকে সম্বৰ্ধনা গ্ৰহণ কৰে। হৃদয়পৰশা অনুষ্ঠানটোত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামী, বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞা, অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকা, প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ দুই নাতিনী ক্ৰমে— জাহ্নৱী ফুকন আৰু আত্ৰেয়ী বৰুৱা থেকেদাৰ, অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া স্বপ্নীল বৰুৱা আৰু 'আবিলেক'ৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ড° দিলীপ কলিতাই ভাষণ দিয়ে। কেইবাজনো বক্তাই ভাষণ প্ৰসংগত কয় যে প্ৰফুল্ল চন্দ্ৰ বৰুৱাই তেওঁৰ পিতৃ লক্ষ্মীৰাম বৰুৱাই ৰচনা কৰা 'সংগীত কোষ' আৰু 'সংগীত সাধনা' নামৰ গ্ৰন্থ দুখনিৰ জৰিয়তেও অসমীয়া সংস্কৃতিৰ ভঁৰাললৈ বিশেষ অৰিহণা আগবঢ়াই থৈ গৈছে। বাংলা ভাষাত গান ৰেকৰ্ডিঙৰ ক্ষেত্ৰতেই প্ৰাথমিক গুৰুত্ব দি অহা তেতিয়াৰ কলিকতাস্থিত এইচ এম ভিৰ কৰ্তৃপক্ষক বৰুৱাই পতিয়ন নিয়াবলৈ সক্ষম হৈছিল যে অসমীয়া এটা স্বতন্ত্ৰীয়া ভাষা আৰু অসমীয়া গীত বাংলা গীতৰ তুলনাত কোনোগুণে কম নহয়। অসমীয়া গানৰ ৰেকৰ্ড বিক্ৰীৰ ক্ষেত্ৰতো অসুবিধা নহয়। শুকুৰবাৰৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা শতবৰ্ষ বক্তৃতা প্ৰদান কৰে লোকনাথ গোস্বামীয়ে। প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ দ্বাৰা বাণীবদ্ধ কৰা গীত পৰিৱেশন কৰে কাকলি বৰুৱা আৰু জয়প্ৰকাশ মেধিয়ে। অনুষ্ঠানত অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণৰ উপৰি বিভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ১৯২৪ চনৰ ২৭ ছেপ্টেম্বৰৰ দিনটো আছিল শুকুৰবাৰ— যিদিনা গ্ৰামোফোন ৰেকৰ্ডত প্ৰথমবাৰলৈ অসমীয়া গীত বাণীবদ্ধ কৰা হৈছিল। আনহাতে, ২০২৪ চনৰ ২৭ ছেপ্টেম্বৰৰ দিনটোও শুকুৰবাৰ— যিদিনা গ্ৰামোফোনত অসমীয়া গীত বাণীবদ্ধ কৰাৰ এশবছৰীয়া পূৰ্তি পালন কৰা হয়।